# জাতীয় বিদ্যালয়সমূহৰ সম্প্ৰীতি সমাৰোহ আৰু প্ৰতিনিধিত্বমূলক সভা
# JATIYA BIDYALAY SAMPRITI SAMAROH

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিত্বমূলক সভা অহা ৩ মে', ২০১৮ তাৰিখে গুৱাহাটীৰ মাছখোৱাস্থিত আই টি এ প্ৰাগজ্যোতি প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। পূৰ্বে এই কাৰ্যসূচী ২৯ এপ্ৰিল ২০১৮ তাৰিখে অনুষ্ঠিত হোৱাৰ কথা আছিল। অসম চৰকাৰৰ দ্বাৰা নিৰ্দেশিত আৰু ঘোষিত D. El. Ed. কাৰ্যসূচীৰ সৈতে উক্ত সভাখনৰ তাৰিখ একে হোৱা বাবে এই সাল-সলনি কৰিবলগীয়া হৈছে।

অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ (১ জানুৱাৰি, ২০১৮- ১ জানুৱাৰি, ২০১৯) কাৰ্যসূচীৰ সৈতে ৰজিতা খুৱাই উক্ত প্ৰতিনিধিত্বমূলক সভাখন 'সম্প্ৰীতি সমাৰোহ' হিচাপে উদ্‌যাপন কৰাৰ পৰিকল্পনা কৰা হৈছে। অসমৰ বিভিন্ন প্ৰান্তৰ সকলো জাতীয় বিদ্যালয়ৰ বাবে এই সম্প্ৰীতি সমাৰোহৰ কাৰ্যসূচী আয়োজন কৰা হ'ব। এই সম্পৰ্কীয় বিতং পৰিকল্পনা শীঘ্ৰেই বাতৰি কাকত তথা অজাবিৰ ৱেবছাইটত প্ৰকাশ কৰা হ'ব। সকলোৰে আন্তৰিক অংশগ্ৰহণ আৰু সহায়-সহযোগিতা কামনা কৰা হ'ল।

ধন্যবাদেৰে—

(ৰঞ্জিত নাৰায়ণ ডেকা)
সভাপতি
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ড° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ